অসম

এক লাখ বত্তিৰ পোহৰত আৰম্ভ জামুগুৰিহাটৰ হৰিকীৰ্তন মহোৎসৱ

জামুগুৰিহাটৰ মংগলবৰীয়াত ৬৮সংখ্যক কেন্দ্ৰীয় অখণ্ড হৰিকীৰ্তন মহোৎসৱ আৰম্ভ হৈছে। প্ৰথম দিনাই এক লাখ বত্তি প্ৰজ্বলনেৰে আলোকিত হৈ পৰে উৎসৱস্থলী।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, নিশা ৯:০২



(NewzNow)

জামুগুৰিহাট, ২০ নৱেম্বৰ: জামুগুৰিহাটৰ মংগলবৰীয়াৰ খ্ৰীষ্টানবস্তিত ৬৮সংখ্যক কেন্দ্ৰীয় অখণ্ড হৰিকীৰ্তন মহোৎসৱ আৰম্ভ হৈছে। উত্তৰ জামুগুৰি হৰিকীৰ্তন সমিতিৰ উদ্যোগত আয়োজিত মহোৎসৱৰ প্ৰথম দিনাই এক লাখ বত্তি প্ৰজ্বলনেৰে সমগ্ৰ অঞ্চলটো আলোকিত হৈ পৰে।

মংগলবৰীয়াৰ তেতেলিগুৰিস্থিত বীৰেন্দ্ৰ নেৰাৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত মহোৎসৱৰ প্ৰথম দিনা পুৱাৰ ভাগত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতে সন্ধিয়া এক লাখ বত্তি প্ৰজ্বলন কৰা হয়। অসংখ্য বত্তিৰ পোহৰে উৎসৱস্থলীত আধ্যাত্মিক আৰু মনোমোহা পৰিৱেশৰ সৃষ্টি কৰে।

তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা মহোৎসৱ ২০ নৱেম্বৰৰ পৰা আৰম্ভ হৈ ২১ নৱেম্বৰলৈকে চলিব বুলি

আয়োজক সমিতিয়ে জনাইছে। মহোৎসৱ সফলভাৱে সম্পন্ন কৰাৰ বাবে অভ্যর্থনা সমিতিয়ে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিছে।

অভ্যর্থনা সমিতিৰ সভাপতি দিলীপ প্রধান, কার্যকৰী সভাপতি পদ্ম নেৱাৰ আৰু সম্পাদক উমেশ নেৱাৰে জনোৱা মতে, অঞ্চলটোৰ গোবিন্দ নাৰায়ণ কীর্তন সংঘ আৰু লক্ষ্মী নাৰায়ণ মহিলা কীর্তন সংঘৰ সহযোগত মহোৎসৱখনৰ আয়োজন কৰা হৈছে। মহোৎসৱ সফলভাৱে উদযাপন কৰিব পাৰিব বুলি তেওঁলোকে আশা প্রকাশ কৰিছে।

সমিতিৰ বিষয়ববীয়াসকলে পৰৱর্তী কার্যসূচীসমূহতো অঞ্চলটোৰ সকলো শ্রেণীৰ ভক্তপ্রাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/4561/jamugurihat-harikirtan-festival-lamps